# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-11-2024 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি ভূৱনেশ্বৰত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকসকলৰ সৰ্বভাৰতীয় সন্মিলনখন উদ্বোধন কৰিব।

২। সদনৰ শীতকালীন অধিৱেশনৰ আজি হুলস্থূলীয়া পৰিস্থিতিৰ বাবে একেৰাহে চতুৰ্থ দিনৰ কাৰ্যক্ৰমণিকা বাধাগ্ৰস্ত হয়। উভয়সদন আজি দিনটোৰ বাবে স্থগিত ৰখা হয়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন লোকৰ জীৱনলৈ সমৃদ্ধি আৰু সম্ভাৱনা কঢ়িয়াই অনা পৰ্যটনৰ ক্ষেত্ৰত আজি অধিক গুৰুত্ব আৰোপ কৰিছে।

*আৰু*

৪। ৰাজ্যত অলপতে অনুষ্ঠিত বিধানসভাৰ উপ-নিৰ্বাচনত জয়ী হোৱা পাঁচগৰাকী বিধায়কে আজি বিধানসভাৰ নতুন ভৱনত আয়োজিত বিশেষ কাৰ্যসূচীত শপত গ্ৰহণ কৰিব।

oooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি ভূৱনেশ্বৰত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকসকলৰ সৰ্বভাৰতীয় সন্মিলনখন উদ্বোধন কৰিব। লোকসেৱা ভৱন তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনত ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল চি আৰ পি এফ, ৰ, এন এছ জি, ইণ্টালিজেন্স ব্যুৰ' আৰু এছ পি জিকে ধৰি বিভিন্ন উল্লেখযোগ্য সংস্থাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব। এই সন্মিলনত আভ্যন্তৰীন সুৰক্ষা, নতুন ফৌজদাৰী আইন, চাইবাৰ অপৰাধ, মাওবাদীসকলৰ ভাবুকি, কৃত্ৰিম বুদ্ধিমত্তাই সৃষ্টি কৰা প্ৰত্যাহ্বান, দ্ৰোণৰ পৰা অহা শেহতীয়া ভাবুকি, সন্ত্ৰাসবাদ প্ৰতিৰোধী ব্যৱস্থা আদিকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয় আলোচিত হোৱাৰ সম্ভাৱনা আছে। এই সন্মিলনত বিশেষকৈ সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ প্ৰতিহত কৰাৰ বিষয়ত আলোচনা কৰা হ'ব। এই সন্মিলনত ৰাষ্ট্ৰপতিৰ আৰক্ষী সেৱা পদক প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ এই সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে আজি সন্ধিয়া ভূবনেশ্বৰত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় সূত্ৰই জানিবলৈ দিছে যে প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্মিলনত নতুন ধাৰণাক প্ৰসাৰিত কৰাৰ বাবে মুকলি পৰিৱেশ আৰু অনানুষ্ঠানিক আলোচনাৰ পোষকতা কৰি আহিছে। ৰাষ্ট্ৰীয় সুৰক্ষাৰ লগত জড়িত বিষয়সমূহ আলোচনা কৰাৰ উদ্দেশ্যে শীৰ্ষ আৰক্ষী বিষয়াসকল আৰু নিৰাপত্তাৰ লগত জড়িত প্ৰশাসকসকলে সন্মিলনত অংশ ল'ব। অপৰাধ নিয়ন্ত্ৰণ, আইন আৰু শান্তিশৃংখলাৰ পৰিস্থিতিৰ লগতে আভ্যন্তৰীণ সুৰক্ষাৰ ভাবুকিসমূহ মোকাবিলা কৰাৰ সন্দৰ্ভত আলোচনা কৰা হ'ব।

সন্মিলনৰ প্ৰতি লক্ষ্য ৰাখি ওড়িশা চৰকাৰে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। কমেও পাঁচটা অঞ্চলত উৰণ নিষিদ্ধ হিচাপে ঘোষণা কৰা হৈছে। বি এছ এফ, চি আৰ পি এফ আদিক অনাকাংক্ষিত পৰিস্থিতিক প্ৰতিহত কৰা শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে নিয়োগ কৰা হৈছে।

oooooo

সদনৰ শীতকালীন অধিৱেশন আজি হুলস্থূলীয়া পৰিস্থিতিৰ বাবে একেৰাহে চতুৰ্থ দিনৰ কাৰ্যক্ৰমণিকা বাধাগ্ৰস্ত হয়। ৰাজ্যসভা দিনটোৰ বাবে স্থগিত ৰখাৰ বিপৰীতে নিৰ্দিষ্ট ব্যৱসায়ী গোষ্ঠীৰ উপ-ঢৌকনকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰাৰ বাবে লোকসভাও দিনটোৰ বাবে স্থগিত ৰখা হয়।

আজি পুৱাৰ ভাগত ৰাজ্যসভা মিলিত হোৱাৰ পাছত ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে নিৰ্দিষ্ট ব্যৱসায়ী গোষ্ঠীৰ উপ-ঢৌকনকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী সদস্যসকলৰ সদন স্থগিত প্ৰস্তাৱ অগ্ৰাহ্য কৰে। শ্ৰী ধনখড়ে সদনৰ কামকাজ বাধাগ্ৰস্ত কৰাৰ বাবে ২৬৭ নম্বৰ ধাৰা সদনত বাহাল কৰে। ৰাজ্যসভাৰ কামকাজ বাৰে বাৰে বাধাগ্ৰস্ত কৰাত অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰী ধনখড়ে কয়, যে বিৰোধী সদস্যসকলে সদনত বেয়া পৰিৱেশৰ সূচনা কৰিছে আৰু জনসাধাৰণৰ আশানুৰূপ কাম কৰাৰ পৰা সদনক বাধা দিছে। তেওঁ কয়, যে বিৰোধী সদস্যসকলৰ এনে ধৰণৰ কামকাজ কেতিয়াও জনসাধাৰণৰ হিতৰ বাবে নহয়।

ইফালে লোকসভা মিলিত হোৱাৰ পাছত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টীকে ধৰি আন বিৰোধী দলৰ সদস্যসকলে বিভিন্ন ধ্বনি দি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সদনৰ শূন্যকালৰ কামকাজ সুকলমে অনুষ্ঠিত কৰাৰ চেষ্টা অব্যাহত ৰাখে যদিও বিৰোধী সদস্যসকল নিজৰ দাবীত অটল থাকে। তেওঁ কয়, যে জনসাধাৰণে সদন সুচাৰুৰূপে অনুষ্ঠিত হোৱাটো বিচাৰে যদিও বিৰোধী সদস্যসকলে সদনৰ কামকাজত বাধা আৰোপ কৰি আহিছে। এনে ধৰণৰ পৰিস্থিতিৰ বাবে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখা হয়।

দুয়োখন সদন অহা মাহৰ ২ তাৰিখে পুনৰ মিলিত হ'ব।

oooooo

আম আদমী পাৰ্টীৰ সাংসদসকলে আজি সদনৰ বাহিৰত দিল্লীত অপৰাধ বৃদ্ধি পাইছে বুলি প্ৰতিবাদ সাব্যস্ত কৰে। সংবাদমাধ্যমৰ আগত দলৰ নেতা সঞ্জয় সিঙে কয় যে, কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা উচিত। আনহাতে সংসদভৱনৰ চৌহদত পাঞ্জাবৰ কংগ্ৰেছৰ সাংসদসকলে প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে ভাৰতীয় খাদ্য নিগমে ন্যূনতম সমৰ্থন মূল্যত খাদ্য, সশ্য ক্ৰয় নকৰে বুলি অভিযোগ উত্থাপন কৰি কয় যে, পাঞ্জাবৰ কৃষকসকলে ন্যূনতম সৰ্থন মূল্যতকৈও কম দামত তেওঁলোকৰ খাদ্য শস্য বিক্ৰি পৰিবলৈ বাধ্য হৈছে। তেওঁলোকে লগতে ৰাজ্যখনৰ খেতিয়কসকলে পৰ্যাপ্ত পৰিমাণত ডি এ পি সাৰ লাভ কৰা নাই বুলি অভিযোগ উত্থাপন কৰিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন লোকৰ জীৱনলৈ সমৃদ্ধি আৰু সম্ভাৱনা কঢ়িয়াই অনা পৰ্যটনৰ ক্ষেত্ৰত আজি অধিক গুৰুত্ব আৰোপ কৰিছে। পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ এটা সামাজিক মাধ্যমৰ পোষ্ট শ্বেয়াৰ কৰি শ্ৰী মোদীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশৰ পৰ্যটনৰ আন্তঃগাঁথনি বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। শ্ৰী শেখাৱটে তেওঁৰ সামাজিক মাধ্যমৰ পোষ্টত এই বুলি ঘোষণা কৰিছে যে, দেশৰ ৪০ টা উল্লেখযোগ্য পৰ্যটন কেন্দ্ৰ

বিকাশৰ বাবে অনুমোদন জনাইছে। শ্ৰীমোদীয়ে লগতে কয়, যে এনেধৰণৰ প্ৰয়াসে অতূল্য ভাৰতৰ বিভিন্ন চানেকিসমূহ জনসাধাৰণে উপভোগ কৰিব পাৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভগৱান বিৰছামুণ্ডাৰ বংশধৰ মংগলমুণ্ডাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এই বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে মংগলমুণ্ডাৰ বিয়োগ কেৱল পৰিয়ালৰ বাবে নহয়, ঝাৰখণ্ডৰ জানজাতি লোকসকলৰ বাবেও এটা অপূৰণীয় ক্ষতি।

০০০০০০

অসমত অলপতে অনুষ্ঠিত বিধানসভাৰ উপ-নিৰ্বাচনত জয়ী হোৱা পাঁচগৰাকী বিধায়কে আজি বিধানসভাৰ নতুন ভৱনত আয়োজিত বিশেষ কাৰ্যসূচীত শপত গ্ৰহণ কৰিব। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আজি বিয়লি এই ৫গৰাকী বিধায়কক শপত বাক্য পাঠ কৰোৱাব। শপতগ্ৰহণ অনুষ্ঠানৰ বাবে বিধানসভাৰ এই নতুন ভৱন বিশেষভাৱে সজাই-পৰাই তোলা হৈছে।

উল্লেখযোগ্য যে যোৱা ১৩ নৱেম্বৰত ৰাজ্যত অনুষ্ঠিত হোৱা উপ-নিৰ্বাচনত বঙাইগাঁৱৰ পৰা দিপ্তীময়ী চৌধুৰী, বিহালীৰ পৰা দিগন্ত ঘাটোৱাৰ, ঢলাইৰ পৰা নিহাৰৰঞ্জন দাস, ছিদলীৰ পৰা নিৰ্মল ব্ৰহ্ম আৰু চামগুৰিৰ পৰা দিপ্লুৰঞ্জন শৰ্মা বিধানসভালৈ নিৰ্বাচিত হৈছিল।

০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈৰ পৰা অসমী সৰস মেলা অনুষ্ঠিত হ'ব। অহা ১৫ ডিচেম্বৰলৈ চলিবলগীয়া এই মেলা প্ৰতিদিনেই দিনৰ ১০ বজাৰ পৰা নিশা ৯ বজালৈ থাকিব। এই মেলাৰ জৰিয়তে জনসাধাৰণে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ লগতে দেশৰ ভিন ভিন জনগোষ্ঠীৰ চহকী হস্তশিল্প আৰু পৰম্পৰাগত সামগ্ৰী লাভ কৰিব পাৰিব। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই মেলাই মহিলা সবলীকৰণৰ লগতে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত এই মেলাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি প্ৰকাশ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ পুৰণি টেলিফোন নম্বৰ ২৬৬০৪২৬ পুনৰ বাহাল কৰা হৈছে। দীৰ্ঘদিন ধৰি এই টেলিফোন নম্বৰটো বিকল হৈ থকাৰ বাবে বাতৰি বিভাগ, আমাৰ সংবাদদাতাসকল আৰু আমাৰ শ্ৰোতাসকল যথেষ্ট আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰত সঞ্চাৰ নিগম লিমিটেড চমুকৈ বি এছ এন এলৰ অধীনৰ এই টেলিফোন নম্বৰলৈ মোবাইল ফোনৰ পৰা ০৩৬১- এই কোড ব্যৱহাৰ কৰি ডায়েল কৰিব লাগিব। সংবাদদাতা আৰু সৰ্বসাধাৰণ ৰাইজে ০৩৬১-২৬৬০৪২৬ নম্বৰত টেলিফোন কৰি যিকোনো বাতৰি আৰু মত-অভিমত জনাব পাৰিব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬

মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

সমাপ্ত